**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-09-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
-----------------------------

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্য প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় দিনা উজ্জয়িনীত চাফাই মিত্ৰসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে চাফাই মিত্ৰ সন্মিলনত অংশগ্ৰহণ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে ইন্দোৰ-উজ্জয়িনী সংযোগী ছটা শাৰীযুক্ত পথ প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লোৱাৰ লগতে শ্ৰীমহা কালেশ্বৰ মন্দিৰ পৰিদৰ্শন কৰিব আৰু পৰিচ্ছন্নতাই সেৱা পযেকৰ অধীনত মন্দিৰ চৌহদত শ্ৰমদান কৰিব। মধ্য প্ৰদেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত ৰাষ্ট্ৰপতিগৰাকীয়ে ইন্দোৰৰ দেৱী অহল্যা বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু মধ্য প্ৰদেশ ভ্ৰমণ সামৰি আজি বিয়লি দুদিনীয়া ঝাৰখণ্ড ভ্ৰমণসূচীৰে ৰাঁচীত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ৰাঁচীস্থিত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ ৰাষ্ট্ৰীয় কৃষি মাধ্যমিক প্ৰতিষ্ঠানৰ শতবাৰ্ষিকী সমাৰোহক সম্বোধন কৰিব। ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰ, কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে শতবাৰ্ষিকী অনুষ্ঠানত ভাগ ল'ব।

০০০০০০০

ৰাজ্যত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আজি শুভাৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰ জনতা ভৱনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে দিনৰ ১১ বজাত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি কৰে। সামাজিক মাধ্যমৰ এটা পʼষ্টত মুখ্যমন্ত্ৰীয়ে অহা কেইসপ্তাহমানৰ ভিতৰতে এই অভিলাষী আঁচনিৰ অধীনত ১২ লাখ হিতাধিকাৰীৰ নাম সন্নিবিষ্ট কৰা হ'ব বুলি উল্লেখ কৰে। তেওঁ লগতে ২০২৫ চনৰ আৰম্ভণিতে ৩৭ লাখ মহিলা তথা যোগ্য হিতাধিকাৰীয়ে প্ৰতিমাহে এহেজাৰ ২৫০ টকাকৈ সাহায্য লাভ কৰিব বুলিও জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে বিধবা, ৪৫ বছৰ বয়সৰ ঊৰ্ধ্বৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলাৰ লগতে তৃতীয় লিংগ, দিব্যাংগ, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বয়োজ্যেষ্ঠ বা ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, মগনীয়া, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী, বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা, এইছ আই ভি, থেলাছেমিয়া আদিত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা আৰু পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী ৬০ বছৰ ঊৰ্ধ্বৰ অথবা দিব্যাংগ হ'লে তেনে ঘৰৰ মহিলাই এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০০

ৰাজ্যত আজিৰে পৰা পুনৰ ১৯ লাখতকৈও অধিক লোকক ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰেচন কাৰ্ড লাভ কৰা হিতাধিকাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পʼষ্টত বিভাগীয় মন্ত্ৰীগৰাকীয়ে ৰেচন কাৰ্ড

প্ৰদানৰ সমগ্ৰ ব্যৱস্থাটোত আলোকপাত কৰি কয় যে, ৫৫ লাখতকৈ অধিক ভুৱা ৰেচন কাৰ্ড বাতিল কৰাটো হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ উল্লেখনীয় সফলতা। বিগত সময়ত ৪২ লাখতকৈও অধিক প্ৰকৃত হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী দাসে কয় যে, পৰৱৰ্তী কেবিনেটত ১৯ লাখ ৯২ হাজাৰ ১৬৭ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০

শিৱসাগৰ জিলাৰ অধীনৰ নাজিৰা, ডিমৌ আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ মুঠ ৪৯ হাজাৰ ৪৯৫ গৰাকী হিতাধিকাৰীক আজি নতুনকৈ খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ ভিতৰত এহেজাৰ ৯৯৩ জন অনিচ্ছাকৃতভাৱে কৰ্তন হোৱা এন আৰ চি সমস্যা থকা সকলৰ বাবে সংৰক্ষিত। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত ব্লক পৰ্য্যায়ত গাঁও পঞ্চায়তৰ জৰিয়তে আৰু নগৰ অঞ্চলৰ পৌৰ সভাৰ যোগেদি অথবা সংশ্লিষ্ট মহকুমা বা জিলা কাৰ্যালয় তথা WWW.PDS.ASSAM.GOV.IN প'ৰ্টেলৰ যোগেদি হিতাধিকাৰীৰ আবেদনসমূহ গ্ৰহণ কৰা হ'ব। গাঁও পঞ্চায়ত আৰু পৌৰ সভাৰ দুখনকৈ বাছনি সমিতিয়ে যোগ্য হিতাধিকাৰীসকলৰ তালিকা প্ৰস্তুত কৰিব। ১৯ ছেপ্তেম্বৰৰ পাছত হিতাধিকাৰীৰ বাবে সংশ্লিষ্ট বিভাগৰ দ্বাৰা আবেদনৰ প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী, ঠিকাভিত্তিক কৰ্মচাৰী আৰু দিন হাজিৰা কৰা ব্যক্তিয়ে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে অহা ১ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি চি-টেটৰ বাবে ইতিমধ্যে ১৭ ছেপ্তেম্বৰৰ পৰা অনলাইন আবেদন প্ৰক্ৰিয়া আৰম্ভ হৈছে। আবেদনৰ অন্তিম দিন ১৬ অক্টোবৰ। আবেদনকাৰী প্ৰাৰ্থীসকলে ১৬ অক্টোবৰৰ পুৱা ১২ বজাৰ পূৰ্বে নিৰ্ধাৰিত মাচুল জমা দিব লাগিব। ৰাজ্য চৰকাৰে অসম টেট পৰীক্ষা অনুষ্ঠিত নকৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে পতা চি-টেটৰ গুৰুত্ব বৃদ্ধি পাইছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু চত্তিশগড়ৰ ঠায়ে ঠায়ে অহা ২৪ ছেপ্তেম্বৰ পৰ্যন্ত ধাৰাসাৰ বৰষুণৰ হোৱাৰ আগজাননী প্ৰকাশ কৰিছে। একেদৰে উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড আৰু মধ্যপ্ৰদেশতো পৰৱৰ্তী তিনিটা দিনত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বিভাগটোৱে প্ৰকাশ কৰিছে।

০০০০০০০

অবাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি ভাৰত আৰু বাংলাদেশৰ মাজত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেল চলি আছে। বাংলাদেশে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। আমালৈ বাতৰি অহাৰ পৰলৈকে ভাৰতে ৩টা উইকেট হেৰুৱাই ৮৮ ৰান কৰি খেলি আছে।

ভাৰতীয় দলটোৰ নেতৃত্ব ৰোহিত শৰ্মাই বহন কৰাৰ বিপৰীতে বাংলাদেশৰ দলটোক নাজমুল হুছেইন শ্বান্তোৱে নেতৃত্ব দিছে। উল্লেখযোগ্য যে ভাৰত আৰু বাংলাদেশ দুখন টেষ্ট খেল আৰু তিনিখন টী-টুৱেণ্টী ক্ৰিকেট খেলত অৱতীৰ্ণ হ'ব। টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল কানপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত ২৭ ছেপ্তেম্বৰৰ

পৰা খেলোৱা হ'ব। আনহাতে, টী-টুৱেণ্টী শৃংখলাৰ প্ৰথমখন খেল ৬ অক্টোবৰত গোৱালিয়ৰত দ্বিতীয়খন ৯ অক্টোবৰত দিল্লীত আৰু তৃতীয়খন খেল ১২ অক্টোবৰত হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত